NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-09-2022
Time : 1340 Hrs

**ASSAMESE MIDDAY BULLETIN**

**HEADLINES**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বৰ্তমান নতুন ভাৰত সমস্যাসমূহৰ স্থায়ী সমাধানৰ নেতৃত্বৰ ক্ষেত্ৰত তীব্ৰগতিৰে উজ্বলি উঠিছে।

২।	প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হয়।

৩।	ৰাষ্ট্ৰজোৰা কোভিড প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত এতিয়ালৈ ২১৭ কোটি ২৬লাখতকৈও অধিক পালি দিয়া হৈছে।

৪।	চিৰিয়াৰ উপকূলত সংঘটিত নাওঁ দুৰ্ঘটনাত ৩৪ জন প্ৰব্ৰজনকাৰীৰ মৃত্যু হৈছে।

**আৰু**

৫।	ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-টুৱেণ্টি খেল আজি নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বৰ্তমান নতুন ভাৰত সমস্যাসমূহৰ স্থায়ী সমাধানৰ নেতৃত্বৰ ক্ষেত্ৰত তীব্ৰগতিৰে উজ্বলি উঠিছে। তেওঁ কয় যে ভাৰত আন্তৰ্ৰাষ্ট্ৰীয় আৰু সৌৰ জোঁটবন্ধনৰ লগতে জীৱন শৈলীৰ দৰে কাম-কাজসমূহত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। গুজৰাটৰ একতা নগৰত ভাৰ্চুৱেল মাধ্যমেৰে ৰাজ্যসমূহৰ পৰিবেশ মন্ত্ৰীসকলৰ ৰাষ্ট্ৰীয় সন্মিলনক সম্বোধি প্ৰধানমন্ত্ৰীয়ে কয় যে,  নতুন ভাৰত-নতুন দৃষ্টিভংগী আৰু নতুন ভাৰধাৰাৰে আগবাঢ়ি গৈছে। তেওঁ কয় যে ভাৰত ক্ষিপ্ৰগতিৰে আগবাঢ়ি যোৱা বিকাশীল অৰ্থনীতি যিয়ে পৰিস্থিতিতন্ত্ৰক শক্তিশালী কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে যে দেশত বনাঞ্চলৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগতে জলাশয়সমূহৰো বিস্তাৰ হৈছে। তেওঁ কয় যে যোৱা কিছু বছৰত বাঘ, সিংহ,হাতী আৰু এটা খড়গযুক্ত গড়ৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। শ্ৰীমোদীয়ে সকলো ৰাজ্যকে পৰিবেশ সংৰক্ষণৰ বাবে উৎকৃষ্ট কাৰ্যপ্ৰণালী শিকাৰ লগতে সেইসমূহ সমগ্ৰ দেশত কাৰ্য ৰূপায়ণ কৰাৰ বাবে আহ্বান জনায়।

০০০০০০০০০০

প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হয়। **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীকছ** শীৰ্ষক গ্ৰন্থখনে প্ৰধানমন্ত্ৰী মোদীৰ এখন নতুন ভাৰতৰ পৰিকল্পনাক প্ৰতিফলিত কৰিছে। এই গ্ৰন্থখন প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু তথ্য আৰু সম্প্ৰচাৰ অনুৰাগ ঠাকুৰে উন্মোচন কৰে। প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুয়ে কয় যে  **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীকছ** গ্ৰন্থখনে নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰখনৰ ধাৰণা আৰু সংকল্প

প্ৰতিফলিত কৰিছে। তেওঁ কয় যে সংস্কাৰ আৰু সুশাসনে এখন সফল চৰকাৰৰ মূলমন্ত্ৰ যিয়ে জনসাধাৰণৰ জীৱন ধাৰণ প্ৰণালী সলনি কৰে। অনুষ্ঠানত উপস্থিত থাকি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে কয় যে গ্ৰন্থখনে প্ৰধানমন্ত্ৰীৰ নতুন ভাৰত গঢ়াৰ পৰিকল্পনা আৰু এই ক্ষেত্ৰত তেওঁৰ সৰল নেতৃত্বক প্ৰতিফলিত কৰিছে। অনুষ্ঠানত যাৰ ফলস্বৰূপে আজি ভাৰতবৰ্ষ বিশ্বৰ ভিতৰতেই পঞ্চম বৃহৎ অৰ্থনীতি দেশ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ সচিব অপূৰ্ব চন্দ্ৰৰ লগতে মন্ত্ৰ্যালয়ৰ আন জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা এই অনুষ্ঠানৰ আয়োজন কৰা হয়। গ্ৰন্থখনে জন অংশীদাৰিত্বৰ জৰিয়তে এখন নতুন ভাৰতৰ বাবে থকা মানুহৰ আশা-আকাংক্ষাসমূহ প্ৰতিফলিত কৰিছে। নতুন ভাৰতৰ প্ৰত্যাহ্বানসমূহক সুযোগলৈ পৰিৰৰ্তন কৰাৰ সক্ষমতা থকাৰ লগতে দেশখন আত্মনিৰ্ভৰশীল আৰু শক্তিশালী হ'ব। গ্ৰন্থখনত ২০১৯ চনৰ মে' মাহৰ পৰা ২০২০ চনৰ মে' মাহলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৮৬টা বিশেষ ভাষণ সন্নিৰিষ্ট কৰা হৈছে। ভাষণসমূহ আত্মনিৰ্ভৰ ভাৰত- অৰ্থনীতি, জনসাধাৰণ- প্ৰথম প্ৰশাসন, কোৱিড-১৯ যুঁজ, প্ৰগিতশীল ভাৰত- বৈদেশিক পৰিক্ৰমা, জয় কিষাণ আদিকে ধৰি ১০টা বিষয়ত বিভক্ত কৰা হৈছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজীত মুকলি কৰা হয়। গ্ৰন্থখন দেশজুৰি থকা প্ৰকাশন বিভাগৰ বিপণীসমূহত তথা নতুন দিল্লীৰ চুচনা ভৱনৰ গ্ৰন্থ বিথিকাত উপলব্ধ হ'ব। তদুপৰি ভাৰত কোষ মঞ্চ আৰু প্ৰকাশন বিভাগৰ ৱেবছাইটৰ জৰিয়তে অনলাইন পদ্ধতিৰেও গ্ৰন্থখন ক্ৰয় কৰিব পৰা যাব। গ্ৰন্থখন ই-বুক আকাৰে এমাজন আৰু গুগুল প্লেটো উপলব্ধ হ'ব।

মেক্সিকোয়ে ৰাষ্ট্ৰ সংঘক এখন সমিতি গঠন কৰাৰ বাবে প্ৰস্তাৱ দিছে য'ত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত স্থায়ী শান্তিৰ মধ্যস্থতাকাৰী হিচাপে অন্তৰ্ভূক্ত কৰা হ'ব। এই সমিতিত পোপ ফ্ৰান্সিচ আৰু ৰাষ্ট্ৰ সংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেচো থাকিব। সংবাদ মাধ্যমৰ সূত্ৰই প্ৰকাশ কৰা মতে মেক্সিকোৰ বিদেশ মন্ত্ৰী মাৰ'চিলো লুইচ এবৰাৰ্ড কাচঅ'বনে ইউক্ৰেনৰ সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ নিৰাপত্তা পৰিষদৰ যুক্তি তৰ্কত অংশগ্ৰহণ কৰাৰ সময়ত এই প্ৰস্তাৱ আগবঢ়াইছিল।

oooooooooo

চৰকাৰে কৈছে যে ৪ লাখ ৩৭ হাজাৰ অংগনবাড়ী কেন্দ্ৰই পোষণ ভাতিকা স্থাপন কৰিছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰ্যালয়ে জনোৱা মতে ফলমূল,শাক-পাচলি, ঔষধি উদ্ভিদ যাতে সহজতে আৰু সুলভ মূল্যত উপলব্ধ হয় তাৰ বাবে সমগ্ৰ দেশতে পোষণভাতিকা স্থাপন কৰা হৈছে। চলিত বৰ্ষৰ পোষণ মাহৰ লগত সংগতি ৰাখি এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। মন্ত্ৰ্যালয়ে কৈছে যে অতিৰিক্তভাৱে ৬খন ৰাজ্যৰ নিৰ্বাচিত জিলাত ১লাখতকৈও অধিক ঔষধি গছৰ পুলি ৰোপণ কৰা হৈছে।

oooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দুদিনীয়া বিহাৰ ভ্ৰমণসূচীৰে পুৰ্ণীয়াত উপস্থিত হৈছে। শ্ৰীশ্বাহে পুৰ্ণীয়া আৰু কিষাণগঞ্জত বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী নিতিশ কুমাৰৰ নেতৃত্বৰ জনতা দল ইউনাইটেডৰ বিজেপিৰ সৈতে মিত্ৰতা ছেদ হোৱাৰ পাছত এয়া অমিত শ্বাহৰ প্ৰথম বিহাৰ ভ্ৰমণ। গৃহমন্ত্ৰীগৰাকীয়ে আজি পুৰ্ণীয়াৰ ৰংভূমি মৈদানত এটা জনভাৱনা সমদলত সম্বোধন কৰিব। বিহাৰ বিজেপিৰ সভাপতি সঞ্জয় জয়ছোৱালে কৈছে যে ৰাজ্যখনৰ পৰিৱৰ্তিত ৰাজনৈতিক প্ৰেক্ষাপটৰ মাজত অমিত শ্বাহৰ এই

ভ্ৰমণ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। জনসভাত সম্বোধন কৰাৰ অন্তত শ্ৰীশ্বাহে কিষাণগঞ্জত বিজেপিৰ কাৰ্যকৰ্তাসকলৰ সৈতে মিলিত হ'ব।

০০০০০০০০০০

ৰাষ্ট্ৰজোৰা কোৱিড প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত এতিয়ালৈ ২১৭ কোটি ২৬লাখতকৈও অধিক পালি দিয়া হৈছে। শেহতীয়াকৈ ২৪ ঘণ্টাত ১৪ লাখ ৯১ হাজাৰতকৈ অধিক পালি দিয়া হয়। সম্প্ৰতি দেশত আৰোগ্য হাৰ হৈছে ৯৮ দশমিক ৭-১ শতাংশ। কালি দিনটোত ৬ হাজাৰ লোকে আৰোগ্য লাভ কৰে। ইয়াকে লৈ কোৱিডৰ পৰা আৰোগ্য লাভ কৰা লোকৰ সংখ্যা ৪ কোটি ৩৯ লাখ ৮৪ হাজাৰতকৈও অধিক হৈছেগৈ। যোৱা ২৪ ঘণ্টাত ৫ হাজাৰতকৈও অধিক লোক নতুনকৈ কোৱিডত আক্ৰান্ত হোৱাৰ বাতৰি পোৱা গৈছে। বৰ্তমান দেশত ৪৫ হাজাৰতকৈ অধিক চিকিৎসাধীন কোৱিড ৰোগী আছে। এই হাৰ হৈছে শূণ্য দশমিক ১-০ শতাংশ। দৈনিক আক্ৰান্তৰ হাৰ ১ দশমিক ৬-৮ শতাংশ হোৱাৰ বিপৰীতে সাপ্তাহিক হাৰ হৈছে ১দশমিক ৭-০ শতাংশ। বৰ্তমানলৈকে ৮৯ কোটিতকৈও নমুনা পৰীক্ষা কৰা হৈছে। কালিৰ দিনটোত ৩ লাখ ২০ হাজাৰতকৈও অধিক নমুনা পৰীক্ষা কৰা হয়।

০০০০০০০০০০

গৃহ মন্ত্ৰালয়ে কৈছে যে কেন্দ্ৰৰ বিনামূলীয়া আৰু ৰাজ্যসমূহৰ প্ৰত্যক্ষ ক্ৰয় ব্যৱস্থাৰ জৰিয়তে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক ২০৩ কোটি ৪২ লাখৰো অধিক কোৱিডৰ প্ৰতিষেধক যোগান ধৰা হৈছে। মন্ত্ৰালয়ে লগতে কৈছে যে বৰ্তমান ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত ৩ কোটি ৫১ লাখতকৈও অধিক অ-ব্যৱহৃত প্ৰতিষেধক মজুত আছে। ৰাষ্ট্ৰজোৰা কোৱিড প্ৰতিষেধক অভিযানৰ অংশ হিচাপে কেন্দ্ৰই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক বিনামূলীয়াকৈ কোৱিডৰ প্ৰতিষেধক যোগান ধৰি আছে। এই অভিযানৰ নতুন পৰ্যায়ত কেন্দ্ৰই দেশত ঘৰুৱাভাৱে প্ৰস্তুত কৰা ৭৫ শতাংশ প্ৰতিষেধক ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত যোগান ধৰিছে।

০০০০০০০০০০

চিৰিয়াৰ উপকূলত সংঘটিত এটা নাওঁ দুৰ্ঘটনাত ৩৪ জন প্ৰব্ৰজনকাৰীৰ মৃত্যু হোৱাৰ বিপৰীতে আন ১৪ জনক দুৰ্ঘটনাৰ পৰা উদ্ধাৰ কৰা হয়। বৰ্তমানে টাৰটছৰ এখন চিকিৎসালয়ত উদ্ধাৰকাৰীসকলৰ চিকিৎসা চলি আছে। চিৰিয়া পৰিবহণ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি নাওঁখনে মঙলবাৰে লেবাননৰ উত্তৰৰ মিনয়ে হ অঞ্চলৰ পৰা ১২০-১৫০ জন যাত্ৰীৰে যাত্ৰা আৰম্ভ কৰিছিল। বৰ্তমানে প্ৰৱল বতাহ আৰু ঢৌৰ মাজত উদ্ধাৰ অভিযান অব্যাহত আছে। সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি লেবাননৰ অৰ্থনৈতিক সংকটৰ সময়ত প্ৰব্ৰৰ্জন বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

০০০০০০০০০০

দেশৰ সৰ্ববৃহৎ জনসেৱা সম্প্ৰচাৰ প্ৰতিষ্ঠান আকাশবাণী স্বাধীনতাৰ পাছত বিগত ৭৫ বছৰত সমগ্ৰ দেশৰ জনসাধাৰণৰ বাবে তথ্য আৰু বাতৰিৰ শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈছে। আকাশবাণীয়ে **আজাদ ভাৰত কী বাত, আকাশবাণী কে সাথ** শীৰ্ষক এটা শৃংখলাৰে স্বাধীনতাৰ ৭৫ সংখ্যক বাৰ্ষিকী উদযাপন কৰিছে। আকাশবাণীয়ে বচা বচা কাহিনীৰ মাধ্যমেৰে সমাজৰ বিভিন্ন ক্ষেত্ৰত স্বাধীনতাৰ পাছৰে পৰা ভাৰতবৰ্ষৰ যাত্ৰাৰ চমু আভাষ দাঙি ধৰিছে। এই শৃংখলাৰ আজিৰ খণ্ডটিত দেশৰ জনসাধাৰণৰ জীৱন-জীৱিকাৰ সুচলতা বৃদ্ধিৰ

উদ্দেশ্যে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ইউ টিউব চেনেল আৰু নিউজ অন এয়াৰ এপৰ লগতে টুইটাৰ, ফেইচবুক তথা ইনষ্টাগ্ৰামৰ মাধ্যমেৰে শুনিবলৈ পোৱা যাব।

oooooooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-টুৱেণ্টি খেল আজি নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। যোৱা মংগলবাৰে মোহালীত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ৪ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছিল। অষ্ট্ৰেলিয়াই আজিৰ খেলখনত জয়েৰে এই ব্যৱধান ২-০লৈ বৃদ্ধি কৰিবলৈ চেষ্টা চলাব। ইপিনে, ভাৰতেও শৃংখলাত সমতা স্থাপনৰ উদ্দেশ্যে আপ্ৰাণ চেষ্টা কৰিব।

oooooooooo

সমাপ্ত